No. of Printed Pages : 4

**FAS-01**

**BDP / BCA / BTS**

**Term-End Examination**

00955

**December, 2017**

## FAS-01 : FOUNDATION COURSE IN ASSAMESE

*Time : 2 hours* *Maximum Marks : 50*

*প্ৰশ্নবোৰ পঢ়ি উত্তৰ লিখক ।*

### ক - শাখা

1. তলৰ প্ৰশ্নবোৰৰ শুদ্ধ উত্তৰত শুদ্ধ চিন (√) দিয়ক : *5×1=5*

   (a) আনুমানিক কোন সময়ত অসমত সংস্কৃতৰ প্ৰবেশ ঘটে ?

   (i) পঞ্চম শতাব্দী

   (ii) ষষ্ঠ শতাব্দী

   (iii) সপ্তম সতাব্দী

   (b) আধুনিক ভাৰতৰ নিৰ্মাতা কোন ?

   (i) মহাত্মা গান্ধী

   (ii) জৱাহৰলাল নেহৰু

   (iii) চৰ্দাৰ বল্লভভাই পটেল

(c) প্ৰাচীন নালন্দা বিশ্ববিদ্যালয় কোনে সংস্কাৰ কৰিছিল ?

(i) গুপ্ত বংশৰ ৰজাসকলে

(ii) সেন বংশৰ ৰজাসকলে

(iii) পাল বংশৰ ৰজাসকলে

(d) নাগৰিক অধিকাৰ সমূহৰ ভিতৰত মূল আৰু প্ৰধান কি ?

(i) সম্পত্তিৰ অধিকাৰ

(ii) জীৱনৰ অধিকাৰ

(iii) শিক্ষা লাভৰ অধিকাৰ

(e) জৈন দৰ্শনে কি বিষয়ে ব্যাপক অধ্যয়ন চলাইছে ?

(i) আত্মাৰ স্বৰূপ উপলব্ধি সম্পৰ্কে

(ii) আত্মাৰ ধাৰণা সম্পৰ্কে

(iii) জ্ঞান উপলব্ধি সম্পৰ্কে

**2.** সম্পূৰ্ণ বাক্যত উত্তৰ দিয়ক : *5×1=5*

(a) এৰিষ্টটলে নাগৰিকৰ কি সংজ্ঞা দিছিল ?

(b) হিউৱেন চাং কোন আছিল ?

(c) পোঙ্গল কি ?

(d) কি কাব্য গ্ৰন্থৰ কাৰণে ৰবীন্দ্ৰনাথ ঠাকুৰে নোবেল বঁটা পাইছিল ?

(e) ষড় দৰ্শনৰ বিকল্প নাম কি ?

3. সুভাষ চন্দ্ৰ বোসে আজাদ হিন্দ ফৌজ গঠন কৰি কি কি কাম কৰিছিল ? 5

**অথবা**

'চামুৰাই' কবিতাৰ ভাবাৰ্থ নিজৰ ভাষাত লিখক ।

4. যিকোনো ***পাঁচটা*** প্ৰশ্নৰ সংক্ষেপে উত্তৰ লিখক : 5×2=10

(a) চৰ্যাপদ কি আৰু ইয়াৰ ৰচক কোন ?

(b) দেৱালীৰ উৎসৱ ল'ৰা-ছোৱালীৰ কাৰণে ইমান আকৰ্ষনীয় হোৱাৰ কাৰণ কি ? দেৱালী কিয় পালন কৰা হয় ?

(c) কোন যুগত ভাৰতীয় আৰু গ্ৰীক শিল্পধাৰাৰ সমন্বয়ত কি বিখ্যাত শিল্পকলা গঢ় লৈ উঠিছিল ?

(d) বঙ্গদেশক কোনে কি কাৰণত দুভাগত বিভক্ত কৰিছিল ?

(e) অনন্ত কন্দলিৰ চমু পৰিচয় দিয়ক ।

(f) ভাৰতবৰ্ষক কি কি সাগৰে কোনকালে আগুৰি আছে ?

(g) নাগৰিকৰ ৰাজনৈতিক অধিকাৰসমূহ কি কি ?

(h) ভাৰতৰ বৰ্দ্ধিত জনসংখ্যাই সৃষ্টি কৰা সমস্যাবোৰ কি কি ?

(i) অসমৰ সম্প্ৰীতি ৰক্ষা কৰাৰ ক্ষেত্ৰত অসম সাহিত্য সভাৰ ভূমিকা কি ?

## খ – শাখা

5. পাঁচনি ক্রিয়া কাক বোলে ? উদাহৰণ দি বুজাই লিখক । 5

**অথবা**

যিকোনো ***পাঁচটাৰ*** বিপৰীত লিঙ্গ লিখক :

খোবা, দতাঁল, শৃগাল, সাধ্বী, পৈ, আইচু, জেঠাই, শৰ, বলদ ।

6. তলৰ যিকোনো ***দহটা*** শব্দ শুদ্ধকৈ লিখক : $10\times\frac{1}{2}=5$

ভূল, শুশ্ৰূষা, সিচঁৰিত, প্ৰকৃতিক, জৰিমনা, ক্ষনিক, বদ্ধমুল, ভূবন, অপৌৰুষেয়, আঘাট, বৈশিষ্ট, দ্বিপ, কেৰ্কেতুৱা, ভেৰা, মনিষী ।

7. নিজৰ অঞ্চলৰ সমস্যাসমূহ বিবৰি কোনো এখন বাতৰি কাকতৰ সম্পাদকলৈ চিঠি এখন লিখক । 5

8. তলৰ যিকোনো ***এটা*** বিষয় নিৰ্বাচন কৰি এখন ৰচনা লিখক : 10

(ক) অন্ধবিশ্বাস আৰু বিজ্ঞান

(খ) সামাজিক ঐক্য-সংহতি

(গ) বিদ্যালয়ত নৈতিক শিক্ষা আৰু প্ৰয়োজন